**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date :09-08-2025 **Time :** 1205Hrs.

**Assamese Midday Bulletin**

উৰিয়ামঘাটৰ ৰেংমা বনাঞ্চলৰ অবৈধ দখল মুক্ত সোণাৰী বিলত বন বিভাগৰ উদ্যোগত আজিৰে পৰা গছপুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। বনানিকৰণৰ জৰিয়তে বনাঞ্চলৰ ভূমি ৰক্ষা কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে সকলোকে আহ্বান জনাইছে।

ইপিনে গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে কালি মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰিবিলত অবৈধভাৱে বাস কৰা ২০৫ টা পৰিয়ালৰ ভিতৰত ১৪৬ টা পৰিয়ালক উচ্ছেদ কৰে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তৰ উপস্থিতিত অৰ্ধ শতাধিক এস্কেভেটৰ কেইবাশ বনকৰ্মী, আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহযোগত এই উচ্ছেদ অভিযান চলোৱা হয়। পাছত নেঘেৰিবিলত ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰধান মুখ্য বন সংৰক্ষক গৰাকীয়ে অঞ্চলটোত পুনৰ ১৬ আগষ্টৰ পৰা উচ্ছেদ চলিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে উৰিয়ামঘাটতো ১৫ আগষ্টৰ পাছত পুনৰ উচ্ছেদ চলোৱা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০

প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণক লৈ ৰাজ্য চৰকাৰে বিভিন্ন পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে গৃহমন্ত্ৰীগৰাকীয়ে অহা ২৯ আগষ্টত গুৱাহাটীত নৱনিৰ্মিত ৰাজভৱন উদ্বোধন কৰিব। শ্ৰী শ্বাহে এন ডি এৰ পঞ্চায়ত প্ৰতিনিধি সন্মিলনত অংশ লব। গৃহমন্ত্ৰীগৰাকীয়ে সেইদিনাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্য চৰকাৰে আয়োজন কৰা প্ৰাক্তন মুখ্যমন্ত্ৰী

প্ৰয়াত গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ শুভাৰম্ভ অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাগ লব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ডঃ শৰ্মাই অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ বিষয়েও প্ৰকাশ কৰে।

০০০০০

শৰাইঘাটৰ পুৰণি দলং আজি নিশা ১০ বজাৰ পৰা কাইলৈ পুৱা ৫ বজালৈ বন্ধ থাকিব। মেৰামতিৰ বাবে দলংখন যাতায়তৰ বাবে বন্ধ ৰখা হ'ব। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই আজি এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে বিভিন্ন স্থানত সৃষ্টি হোৱা গাঁতৰ বাবে দলংখনৰ ওপৰত যান-জট সৃষ্টি হৈ আহিছে।

০০০০০

দেশজুৰি আজি ভাতৃ আৰু ভগ্নীৰ মাজৰ পবিত্ৰ বান্ধোনৰ উৎসৱ ৰাখীবন্ধন উদযাপন কৰা হৈছে। এই দিনটো ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙী ৰাখী বান্ধি তেওঁলোকৰ সুস্বাস্থ্য আৰু সমৃদ্ধি কামনা কৰে। বিনিময়ত ভাতৃসকলেও তেওঁলোকৰ ভগ্নীৰ সুৰক্ষাৰ পণ লোৱাৰ লগতে উপহাৰ দিয়ে।

ৰাখী বন্ধন উপলক্ষে বৈঠালাংছ'ৰ লাংপি শিশু বিদ্যানিকেতনৰ শিক্ষাৰ্থীসকলে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ ডেলটা কোম্পানীৰ জোৱানসকলক ৰাখী পিন্ধায়। বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে দেশ ৰক্ষাৰ বাবে জীৱন উৎসৰ্গা কৰা জোৱানসকলক ৰাখী পিন্ধাবলৈ পাই গৌৰৱ অনুভৱ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাখী উপলক্ষে ৰাজ্যবাসীক ওলগ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যময়োগে দিয়া এটা বাৰ্তাত কয় যে বৰ্তমান চৰকাৰে ৰাজ্যৰ প্ৰতিগৰাকী ভগ্নীৰ বাবে দায়বদ্ধতাৰে কাম কৰি যাব।

০০০০

৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত কামৰূপৰ মহানগৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ সভাপতিত্বত খানাপাৰাৰ পশু চিকিতসা বিজ্ঞান

মহাবিদ্যালয় খেলপথাৰত কালি এখন সভা অনুষ্ঠিত হয়। সভাত আৰক্ষী বিষয়া, সামৰিক আৰু অৰ্ধসামৰিক বাহনীৰ বিষয়াকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰে।

গুৱাহাটী পৌৰ নিগমে স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাংকন, ৰীল প্ৰস্তুত আৰু আল্পনা অংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰদুষণমুক্ত ভৱিষৎ, হৰ-ঘৰ তিৰংগা আৰু হৰ-ঘৰ স্বচ্ছতা বিষয়বস্তুৰে আয়োজন কৰা এই প্ৰতিযোগিতাৰ জৰিয়তে ঐক্য আৰু সৃজনীশীলতাৰ লগতে এখন সেউজ গুৱাহাটী গঢ়াৰ দিশত জনসাধাৰণক উদগনি যোগোৱাৰ প্ৰয়াস কৰা হৈছে।

কামৰূপ জিলা প্ৰশানে স্বাধীনতা দিৱসৰ পূৰ্ণ প্ৰস্তুতি গ্ৰহণ কৰিছে। আমিনগাঁৱৰ ৰেলৱে খেলপথাৰত হবলগীয়া স্বাধীনতা দিৱসৰ পেৰেডত অসম আৰক্ষীৰ তিনিশ জোৱানৰ উপৰি জিলাখনৰ ভালেকেইখন বিদ্যালয়ৰ শিক্ষাৰ্থী তথা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডাৰসকলে অংশগ্ৰহণ কৰিব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ –Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

০০০০

নগাঁৱৰ বটদ্ৰৱা আৰক্ষীয়ে কালি আবেলি চলাপথাৰত অভিযান চলাই মাদকদ্ৰব্য ভৰ্তি ৪১ টা কণ্টেইনাৰ জব্দ কৰে আৰু দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰী দুজন ধিঙৰ জাৰামাৰীৰ আব্দুল ৰহমান আৰু ঢেকীয়াজুলিৰ ৰাণীটাপু চাপৰিৰ মজিমুল হক বুলি চিনাক্ত কৰা হৈছে।

০০০০